জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৪৮/২০২০

# মুখ্যমন্ত্ৰীক সাক্ষাৎ ৰাজ্যৰ বাদ্যযন্ত্ৰী আৰু কলা-কুশলীৰ এক প্ৰতিনিধি দলৰ

## চাহ জনগোষ্ঠীৰ জনপ্ৰিয় শিল্পী চাজন নায়কেও সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ১৮ আগষ্টঃ** অসমৰ ২২ খন জিলাক প্ৰতিনিধিত্ব কৰা বাদ্যযন্ত্ৰী আৰু কলা-কুশলীৰ এটা দলে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে। ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত হোৱা এই সাক্ষাৎকালত প্ৰতিনিধি দলটোৱে সাম্প্ৰতিক পৰিস্থিতিত ৰাজ্যখনৰ বাদ্যযন্ত্ৰী আৰু কলা-কুশলীসকলে সন্মুখীন হোৱা অসুবিধাৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰি তেওঁলোকক আৰ্থিকভাৱে সকাহ দিয়াৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। ৰাজ্যৰ শিল্পী, বাদ্যযন্ত্ৰী আৰু কলা-কুশলীসকলে সততে সন্মুখীন হোৱা অন্যান্য কেতবোৰ সমস্যাৰ বিষয়েও তেওঁলোকে মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰে।

আলোচনাকালত মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যৰ বৰ্ণিল সাংস্কৃতিক ক্ষেত্ৰখনক আগুৱাই লৈ যোৱাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে প্ৰতিনিধি দলটোক অৱগত কৰে। তেওঁ কয় যে ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে 'শিল্পী সম্বৰ্ধনা' আৰু 'ভ্ৰাম্যমাণ থিয়েটাৰ শিল্পী আৰু কলা-কুশলী আঁচনি'ৰ অধীনত ২,০০০ গৰাকী শিল্পী আৰু কলা-কুশলীলৈ ৫০ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদানৰ বাবে ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰিছে। সেইদৰে লকডাউনৰ সময়ত ৰাজ্যৰ শিল্পীসকলে সন্মুখীন হোৱা আৰ্থিক অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ বিভিন্ন পৰম্পৰাগত লোকশিল্প যেনে ওজাপালি, নাগাৰা নাম, ঢুলীয়া, বেণ্ডপাৰ্টী আদিত জড়িত লোকশিল্পীসকললৈ তিনি মাহৰ বাবে ২,০০০ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ কথাও ঘোষণা কৰিছে। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত কেইবাশতাধিক প্ৰবীণ শিল্পীলৈ মাহে ৮,০০০ টকাকৈ শিল্পী পেঞ্চন আৰু ৫০,০০০ টকাৰ এককালীন সাহায্য আগবঢ়োৱা হৈছে। ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখনক অধিক সমৃদ্ধ কৰা তথা শিল্পী-বাদ্যযন্ত্ৰী আৰু কলা-কুশলীসকলৰ কল্যাণৰ বাবে চৰকাৰে অনাগত দিনবোৰতো আন্তৰিকতাৰে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধি দলটোক আশ্বাস প্ৰদান কৰে।

উল্লেখযোগ্য যে ৰাজ্যৰ ২২ খনকৈ জিলাক প্ৰতিনিধিত্ব কৰা এই দলটোত বিশিষ্ট বাদ্যযন্ত্ৰী মণিকাঞ্চন বুঢ়াগোহাঁই, মাজুলী সোণোৱাল, দীপজ্যোতি বৈশ্য, টিংকু গগৈ, কৌস্তুভমণি ফুকন আৰু চন্দন ৰাভা উপস্থিত আছিল।

আনহাতে, চাহ জনগোষ্ঠীৰ এগৰাকী প্ৰতিভাবান শিল্পী, অভিনেতা, গায়ক, সংগীত পৰিচালক চাজন নায়কেও আজি মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসগৃহত মুখ্যমন্ত্ৰী সোণোৱালক সৌজন্যমূলকভাৱে সাক্ষাৎ কৰে। সাক্ষাৎকালত টিংখং সমষ্টিৰ বিধায়ক বিমল বৰাও উপস্থিত আছিল।

**প্ৰঃকুঃবঃ**
**১৮/৮/২০২০**